**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-08 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

**-------------------**

ডিব্ৰুগড় জিলা প্ৰশাসনে আজি পলটন বজাৰৰ মুখ্যমন্ত্ৰী সচিবালয়ৰ সমীপৰ চৰকাৰী মাটিত অবৈধভাৱে বাস কৰা বহু লোকক উচ্ছেদ কৰে। এই চৰকাৰী ভূমি দখল কৰি বহুকেইটা পৰিয়ালে অঞ্চলটোত ঘৰ দুৱাৰ সাজিছিল বুলি আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনাইছে।

ইপিনে, নগাঁও জিলা প্ৰশাসন ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত উচ্ছেদৰ বাবে সাজু হৈছে। ধিং ৰাজহ চক্ৰ বিষয়াই যোৱা ৫ আৰু ৮ জুলাইত দখলীকৃত ভূমি খালী কৰিবলৈ অঞ্চল দুটাৰ জনসাধাৰণলৈ জাননী প্ৰেৰণ কৰিছিল। অহা ২৭ আগষ্টত এই অঞ্চলকেইটাত উচ্ছেদ অভিযান চলোৱা হ'ব বুলি আজি বিয়লি প্ৰশাসনে মাইকযোগে ঘোষণা কৰে। উল্লেখযোগ্য যে এই অঞ্চলকেইটাত কাইলৈ উচ্ছেদ চলোৱাৰ কথা আছিল যদিও ব্যৱসায়ী আৰু অঞ্চলটোৰ লোকসকলে ৩ দিনৰ সময় বিচৰাত অহা বুধবাৰে উচ্ছেদ অভিযান চলোৱা হ'ব বুলি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই অৱগত কৰে।

বিশ্বনাথ জিলা প্ৰশাসনেও নিজ বাঘমাৰীৰ নামাপাৰা, প'লকটা আদি অঞ্চলৰ ৪৩৩ টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰিছে। প্ৰশাসনে কালি বাঘমাৰী মণ্ডলৰ জৰিয়তে পৰিয়ালকেইটালৈ জাননী প্ৰেৰণ কৰি ১৫ দিনৰ ভিতৰত চৰকাৰী ভূমি ত্যাগ কৰিবলৈ নিৰ্দেশ দিছে। ১৫ দিনৰ ভিতৰত অবৈধভাৱে দখল কৰা ভূমি নেৰিলে জিলা প্ৰশাসনে সেই স্থানত উচ্ছেদ চলাব। এই পৰিয়ালকেইটাই চৰণীয়া পথাৰৰ ২৬৫ বিঘা ভূমি অবৈধভাৱে দখল কৰি আছে।

০০০

কাছাৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান শিলচৰত কন্যা শিশুৰ শিক্ষা আৰু সৱলীকৰণৰ উদ্দেশ্যে শৈক্ষিক ভ্ৰমণৰ আয়োজন কৰা হয়। বেটী বচাও, বেটী পঢ়াও কাৰ্যসূচীৰ অধীনত অনুষ্ঠিত এই এক্সপোজাৰ ট্যুৰত শিলচৰৰ চাৰিখন বিদ্যালয়ৰ মুঠ ৩৫ গৰকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত মৃদুল যাদৱে পতাকা জোকাৰি এই কাৰ্যসূচী মুকলি কৰে। তেওঁ কয়, যে শিক্ষাৰ জৰিয়তে কন্যা শিশুৰ সৱলীকৰণ কৰাটো কেৱল নীতিয়ে নহয়, বৰং ই সামাজিক দায়বদ্ধতাও। শৈক্ষিক ভ্ৰমণত অংশগ্ৰহণ কৰা ছাত্ৰীসকলে নীট শিলচৰৰ গৱেষণা কেন্দ্ৰ, পৰীক্ষাগাৰ আৰু প্ৰযুক্তিগত সুবিধাসমূহ পৰিদৰ্শন কৰে। এই ভ্ৰমণে ছাত্ৰীসকলক ভৱিষ্যতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যালৰ অগ্ৰগতিৰ বাবে অনুপ্ৰাণিত কৰিব বুলি জিলা প্ৰশাসনে আশা প্ৰকাশ কৰিছে।

০০০

কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰত চীনৰ বৃহৎ নদীবান্ধ সম্পৰ্কীয় বিষয়টো নিৰীক্ষণ কৰি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু চীনৰ বিদেশ মন্ত্ৰী ৱাং য়িৰ মাজত হোৱা শেহতীয়া বৈঠকতো বিষয়টো উত্থাপন কৰা হৈছিল। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে কালি সংসদত এই কথা প্ৰকাশ কৰে। চীনে তিব্বতৰ চাংপো নদীৰ নামনিভাগত বৃহৎ নদীবান্ধ নিৰ্মাণ কৰা বুলি ওলোৱা বাতৰি সন্দৰ্ভত ৰাজ্যসভাত সোধা এটা প্ৰশ্নৰ লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে চীনৰ বৃহৎ নদীবান্ধ প্ৰকল্পৰ বিষয়টো ১৯৮৬ চনতে প্ৰথমবাৰৰ বাবে ৰাজহুৱা হৈছিল আৰু তেতিয়াৰে পৰা কেন্দ্ৰীয় চৰকাৰে ইয়াৰ সৈতে জড়িত সকলো দিশ নিৰীক্ষণ কৰি আহিছে। ইয়াৰ

ভিতৰত বেইজিঙৰ প্ৰস্তাৱিত জলবিদ্যুৎ প্ৰকল্প আৰু ভাৰতৰ স্বাৰ্থ সুৰক্ষাৰ দিশটোও আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে চীনক সকলো বিষয় সময়ে সময়ে অৱগত কৰি অহা হৈছে। চাংপো-ব্ৰহ্মপুত্ৰ সম্পৰ্কীয় শেহতীয়া তথ্যৰ ভাগ-বাটোৱাৰাৰ বাবে ২০০২ চনত এখন চুক্তি স্বাক্ষৰিত কৰা হৈছিল আৰু সেই চুক্তি ২০০৮, ২০১৩ আৰু ২০১৮ চনত নৱীকৰণ কৰা হৈছিল বুলি মন্ত্ৰী বৰ্ধনে উল্লেখ কৰে। চীনে অৱশ্যে ২০১৭ চনত এই তথ্য প্ৰদান কৰা নাছিল বুলি তেওঁ জানিবলৈ দিয়ে।

০০০

অসম ৰাজ্যিক আইন সেৱা প্ৰাধীকৰণৰ নিৰ্দেশ মৰ্মে মাজুলী জিলা আইন সেৱা প্ৰাধীকৰণৰ উদ্যোগত আজি এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। কমলাবাৰীস্থিত জিলা গাঁও প্ৰধান ভৱনত জিলাখনৰ গাঁও প্ৰধানসকলৰ মাজত সজাগতামূলক সভাৰ লগতে অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত কেইবাজনো সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন বিভাগত কৰ্মৰত এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ দাবী কৰি আজি ৩১ টা দল সংগঠনে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনকেইটাই কৰ্মচাৰীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত বন বিভাগৰ বিষয়া তথা চিকিৎসকক তদন্তৰ আওতালৈ অনাৰ বাবে দাবী উত্থাপন কৰে। দল সংগঠনকেইটাই লগতে গোলাঘাট জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতে এই সন্দৰ্ভত আলোচনাতো মিলিত হয়।

০০০

যোৰহাট আয়ুক্ত কাৰ্যালয়ৰ চৌহদত থকা ড০ ভীমৰাও আম্বেদকাৰ উদ্যানখন জিলা আয়ুক্ত জয় শিৱানীয়ে আজি যোৰহাট উন্নয়ন প্ৰাধীকৰণৰ সভাপতি প্ৰশান্ত জ্যোতি গোস্বামীৰ উপস্থিতিত পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত উদ্যানখনৰ উন্নয়ন সন্দৰ্ভত আলোচনা কৰা হয়। এই সময়ছোৱাত যোৰহাট উন্নয়ন প্ৰাধীকৰণৰ সদস্য সচিব আৰু কৰ্মচাৰীসকলো উপস্থিত থাকে।

০০০

হোজাই জিলাৰ মুৰাঝাৰত আৰক্ষীয়ে আজি এজন সন্দেহজনক লোকক আটক কৰে। আৰক্ষীয়ে লোকজনৰ পৰা এখন ভাৰতীয় পাছপোৰ্ট আৰু পাকিস্তানৰ ভিছা জব্দ কৰে। ধৃত লোকজনে মুৰাঝাৰ গাওঁ পঞ্চায়তৰ কাৰ্যালয়ত পঞ্চায়তৰ প্ৰমাণ পত্ৰৰ বাবে আবেদন কৰিবলৈ যোৱাৰ সময়তে নিজৰ প্ৰকৃত নাম আব্দুল কৰিমৰ পৰিৱৰ্তে আব্দুল কালাম বুলি প্ৰকাশ কৰে। লোকজনৰ নথিপত্ৰ পৰীক্ষা কৰি সন্দেহ ওপজাত পঞ্চায়তৰ সচিবে আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে এই সংক্ৰান্তত তদন্ত অব্যাহত ৰাখিছে।

০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ